**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 30-04-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

পৰহিলৈ হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব। আজি প্ৰচাৰ অভিযানৰ অন্তিম দিনাও বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ভোটদাতাৰ মন জয় কৰাৰ চেষ্টা চলাব।

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই কালি কামৰূপ জিলাৰ ৰঙিয়া, দৰং আৰু মৰিগাঁৱত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। প্ৰচাৰ সভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে শাসনাধিষ্ঠিত বিজেপি নেতৃত্বাধীন চৰকাৰৰ উন্নয়নমূলক কাম-কাজত আলোকপাত কৰাৰ লগতে নিৰ্বাচনত পুনৰ দলটোৱে ভাল ফলাফল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলাৰ পানীতোলা নগাঁও খেল পথাৰত আৰু ডিব্ৰুগড় জিলাৰ মানকটা খেলপথাৰত প্ৰচাৰ চলাব। মন্ত্ৰীগৰাকীয়ে কালি মাৰ্ঘেৰিটাৰ নগাপথাৰ ৰংগমঞ্চত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিয়ে।

একেদৰে শাসকীয় বিজেপিৰ হৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কাছাৰ জিলাৰ উদাৰবন্দ সমষ্টিৰ শালগংগা জিলা পৰিষদৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়।

মন্ত্ৰী কেশৱ মহন্তই কালি বৰাক উপত্যকাৰ শ্ৰীভূমি জিলাৰ লাঠিৰঘাট ৰাণীবাৰী গাঁৱত লক্ষীৰ বাজাৰ জিলা পৰিষদৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী গৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ লয়।

কামৰূপ জিলাত কালি বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ পৰিলক্ষিত হয়। বিজেপিৰ হৈ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, সাংসদ বিজুলী কলিতা মেধিৰ লগতে কেইবাজনো নেতাই কালি প্ৰচাৰ চলায়। জিলাখনত নিৰ্দলীয় প্ৰাৰ্থীসকলেও কালি প্ৰচাৰ কাৰ্যসূচীত অংশ লয়।

অসম গণ পৰিষদৰ নেতা তথা মন্ত্ৰী অতুল বৰাই কালি বোকাখাতৰ গৰিয়াজান বাগিচা, ৰঙামাটি চেউনি কমাৰগাওঁকে ধৰি বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়।

ইপিনে, বিৰোধী দল কংগ্ৰেছেও কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক প্ৰচাৰ চলায়। দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই কালি জহিং চাহ বাগিচাত প্ৰচাৰ চলায়। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে শিৱসাগৰ আৱৰ্ত ভৱনত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলে ভাল ফলাফল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। দলটোৱে আয়োজন কৰা সভাসমূহত মহিলাৰ অংশগ্ৰহণ অধিক বুলিও তেওঁ উল্লেখ কৰে।

কংগ্ৰেছ দলৰ নেতা ৰিপুণ বৰাই কালি গহপুৰ বিধানসভা সমষ্টিৰ ৰজাবাৰী ৰংগমঞ্চত আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক মনোজ চৌহান আৰু অসম প্ৰদেশ কংগ্ৰেছ মহিলা সমিতিৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ উপৰি বিশ্বনাথ জিলাৰ দলীয় নেতৃবৰ্গ উপস্থিত থাকে।

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অসম গণ পৰিষদ দলে কালি আমবাৰীত থকা মুখ্য কাৰ্যালয়ত দলটোৰ ঘোষণা পত্ৰ মুকলি কৰে। পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজত মিত্ৰতাক লৈ সৃষ্টি হোৱা বিতৰ্ক সন্দৰ্ভত কালি ৰাইজৰ দলৰ মুখপাত্ৰ ৰাছেল হুছেইনে এখন সংবাদমেলত ভাষণ দিয়ে।

পৰহিলৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলাসমূহত ৰাজহুৱা বন্ধ ঘোষণা কৰা হৈছে।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আটাইকেইটা শাখাৰ ফলাফল আজি ঘোষণা কৰা হ'ব। শিক্ষাৰ্থীসকলে পুৱা ৯ বজাৰ পৰা নিৰ্দিষ্ট ৱেবছাইটৰ জৰিয়তে তেওঁলোকৰ মাৰ্কশ্বিটসমূহ ডাউনল'ড কৰিব পাৰিব। তেওঁলোকে মোবাইল এপৰ জৰিয়তেও মাৰ্কশ্বিটসমূহ চাব পাৰিব।www.ahsec.assam.gov.in, www.assamresult.in, www.result.shiksha, www.schools9.com, assamjobalerts.com আদিকে ধৰি মুঠ ১২টা ৱেবছাইটত শিক্ষাৰ্থীসকলে নিজৰ ৰোল, নম্বৰ আৰু ৰেজিষ্ট্ৰেচন নম্বৰ দি মাৰ্কশ্বিটসমূহ ডাউনল'ড কৰিব পাৰিব। তদুপৰি এণ্ড্ৰইড মোবাইলত **উপলব্ধ** এপ ডাউনল'ড কৰি ফলাফল লাভ কৰিব পাৰিব। বিদ্যালয়ৰ শিক্ষা পৰিষদৰ দুই নম্বৰ সংমণ্ডলে প্ৰকাশ কৰা জাননী অনুসৰি উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ ছপা মাৰ্কশ্বিট আৰু প্ৰমাণপত্ৰ পৰৱৰ্তী সময়ত প্ৰদান কৰা হ'ব। পৰীক্ষাত অনুত্তীৰ্ণ শিক্ষাৰ্থীসকলক ছপা মাৰ্কশ্বিট প্ৰদান কৰা নহয়। অৱশ্যে অনুত্তীৰ্ণ হোৱা কোনো শিক্ষাৰ্থীয়ে ছপা মাৰ্কশ্বিট ল'ব বিচাৰিলে পৰিষদৰ কাৰ্যালয়ত পৃথকভাৱে আবেদন কৰিব লাগিব। উল্লেখযোগ্য যে এইবাৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মুঠ ৩ লাখ ২ হাজাৰ ৪২০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

ooooooo

তিনিচুকীয়া ওমেনছ কলেজৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত কালি **পৰ্যটন ক্ষেত্ৰ হিচাপে তিনিচুকীয়া জিলাৰ সম্ভাৱনীয়তা আৰু প্ৰত্যাহ্বান** শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বন্যপ্ৰাণী সংৰক্ষক আৰু পৰিৱেশবিদ জয়নাল আবেদিনে প্ৰদান কৰা মূল বক্তব্যত জিলাখনত পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এইক্ষেত্ৰত জিলা প্ৰশাসনৰ লগতে জনসাধাৰণৰ সহযোগিতাৰ কথা উল্লেখ কৰে। এই অনুষ্ঠানতে পৰিৱেশবিদগৰাকীক তিনিচুকীয়া ওমেনছ কলেজৰ তৰফৰ পৰা প্ৰফেচাৰ অৱ প্ৰেক্টিছ সন্মান প্ৰদান কৰা হয়। অনুষ্ঠানত মহাবিদ্যালয়খনৰ কেইবাগৰাকী অধ্যাপক-অধ্যাপিকাৰ লগতে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী অংশগ্ৰহণ কৰে।

oooooo

হাফলঙৰ স্বায়ত্তশাসিত পৰিষদৰ চৌহদত কালি ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে পৰিষদৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য আৰু আন প্ৰতিনিধি উপস্থিত থাকে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কেইবাটাও নতুন কাৰ্যালয় উদ্বোধন কৰা হয়।

ooooooo

**সমাপ্ত**